**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 13-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**
**:::::::::::::::::::**

১। যুৱ প্ৰজন্মৰ সৱলীকৰণৰ জৰিয়তে সামাজিক উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ চৰকাৰৰ আকাংক্ষা অনুসৰি কালি দেশৰ বিভিন্ন প্ৰান্তত ষোড়শ নিযুক্তি মেলাৰ আয়োজন কৰা হয়।

২। বিশ্ব স্বাস্থ্য সংস্থাই পাৰম্পৰাগত চিকিৎসা ব্যৱস্থা বিশেষকৈ আয়ুষ প্ৰণালীৰ সৈতে কৃত্ৰিম বুদ্ধিমত্তাৰ সংহতিকৰণৰ বাবে ভাৰতে চলোৱা প্ৰচেষ্টাক স্বীকৃতি প্ৰদান কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ তিনিদিনীয়া ছিংগাপুৰ আৰু চীন ভ্ৰমণসূচীৰে আজি ৰাওনা হ'ব।

৪। ইগা স্বিয়াটেকে উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ প্ৰথমটো খিতাপ অৰ্জন কৰিছে। *আৰু*

৫। লৰ্ডছ টেষ্টত আজি চতুৰ্থ দিনা ইংলেণ্ডে এটাও উইকেট নেহেৰুওৱাকৈ কালি সংগ্ৰহ কৰা দুই ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব।

ooooo

যুৱ প্ৰজন্মৰ সৱলীকৰণৰ জৰিয়তে সামাজিক উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ চৰকাৰৰ আকাংক্ষা অনুসৰি কালি দেশৰ বিভিন্ন প্ৰান্তত ষোড়শ নিযুক্তি মেলাৰ আয়োজন কৰা হয়। এই মেলাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত নিযুক্তি লাভ কৰা ৫১ হাজৰৰো অধিক প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰে। নৱনিযুক্তসকলক ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে অভিনন্দন জনাই শ্ৰী মোদীয়ে কয়, যে চৰকাৰৰ নিযুক্তি মেলা উদ্যমৰ জৰিয়তে লাখ লাখ যুৱক-যুৱতীয়ে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰ অধীনত স্থায়ী চাকৰি লাভ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয়, যে যুৱক-যুৱতীসকলে ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ লৈছে আৰু বিকশিত ভাৰত গঢ়াৰ প্ৰচেষ্টাত অনুঘটক হিচাপে কাম কৰিছে। আমাৰ সংবাদদাতাই জনাইছে যে, কেন্দ্ৰীয় চৰকাৰে নিযুক্তি মেলা উদ্যমৰ বাবে এক লাখ কোটি টকা আৱণ্টন দিছে আৰু এই উদ্যমৰ জৰিয়তে কৰ্মসংস্থাপনৰ প্ৰায় চাৰে তিনি কোটি সুযোগ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে।

ooooo

বিশ্ব স্বাস্থ্য সংস্থাই পাৰম্পৰাগত চিকিৎসা ব্যৱস্থা বিশেষকৈ আয়ুষ প্ৰণালীৰ সৈতে কৃত্ৰিম বুদ্ধিমত্তাৰ সংহতিকৰণৰ বাবে ভাৰতে চলোৱা প্ৰচেষ্টাক স্বীকৃতি প্ৰদান কৰিছে। পৰম্পৰাগত চিকিৎসা ব্যৱস্থাত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ স্থিতি শীৰ্ষক কাৰিকৰী সংক্ষিপ্ত বিৱৰণীত এই বিষয়ে উল্লেখ কৰা হৈছে। এই বিৱৰণীত

আয়ুৰ্বেদ, সিদ্ধ, ইউনানী, ছোৱা ৰিগপা আৰু হোমিঅ'পেথিত কৃত্ৰিম বুদ্ধিমত্তাৰ ভাৰতৰ অগ্ৰগতিৰ বিষয়ে আলোকপাত কৰা হৈছে।

কেন্দ্ৰীয় আয়ুষ ৰাজ্য মন্ত্ৰী প্ৰতাপৰাও যাধৱে বিশ্ব স্বাস্থ্য সংস্থাৰ স্বীকৃতিয়ে প্ৰযুক্তিৰ মাধ্যমেৰে পৰম্পৰাগত চিকিৎসা প্ৰণালীক আগুৱাই নিয়াৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচায়ছে। তেওঁ কয়, যে ছাহি পোৰ্টেল, নমস্তে পোৰ্টেল আৰু আয়ুষ গৱেষণা পোৰ্টেলৰ দৰে মঞ্চসমূহৰ জৰিয়তে ভাৰতে ব্যক্তি বিশেষৰ বাবে সুকীয়া প্ৰমাণ আধাৰিত স্বাস্থ্য সেৱাৰ পথ প্ৰসস্ত কৰাৰ লগতে ইয়াৰ প্ৰাচীন চিকিৎসা জ্ঞানৰ সংৰক্ষণ কৰিছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ তিনিদিনীয়া ছিংগাপুৰ আৰু চীন ভ্ৰমণসূচীৰে আজি ৰাওনা হ'ব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ছিগাংপুৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে দেশখনৰ বিদেশ মন্ত্ৰী আৰু নেতৃবৰ্গৰ সৈতে বিভিন্ন বিষয় লৈ মত বিনিময় কৰিব।

দ্বিতীয় পৰ্যায়ত ড০ জয়শংকৰে চীনৰ তিয়ানচীনত হ'বলগীয়া ছাংহাই সহযোগিতা সংস্থাৰ বিদেশ মন্ত্ৰী পৰিষদৰ বৈঠকত ভাগ ল'ব। বৈঠকত অংশগ্ৰহণ কৰাৰ সুযোগতে তেওঁ কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

০০০০০

বিধি বলৱৎকাৰী সঞ্চালকালয়ে ভূমি সা-সম্পত্তি খণ্ডৰ কোম্পানী পাৰ্লছ এগ্ৰোটেক কৰ্পোৰেচন লিমিটেড আৰু কোম্পানীটোৰ সঞ্চালক তথা প্ৰমোটাসকলৰ বিৰুদ্ধে চলাই থকা তদন্তৰ সংক্ৰান্তত ৭৬২ কোটি ৪৭ লাখ টকা মূল্যৰ স্থাৱৰ সম্পত্তি জব্দ কৰিছে। পাঞ্জাব, হাৰিয়ানা, মহাৰাষ্ট্ৰ, দিল্লী আৰু অষ্ট্ৰেলিয়াত এই সম্পত্তিসমূহ জব্দ কৰা হৈছে। বিধি বলৱৎকাৰী সঞ্চালকালয়ে প্ৰকাশ কৰা মতে পাৰ্লছ এগ্ৰোটেক কৰ্পোৰেচন লিমিটেডে ধন সংগ্ৰহৰ ভুৱা বিনিয়োগ আঁচনিৰ জৰিয়তে প্ৰায় ৪৮ হাজাৰ কোটি টকা সংগ্ৰহ কৰিছে। সংগ্ৰহ কৰা ধনেৰে ৬৮ টা স্থাৱৰ সম্পত্তি ক্ৰয় কৰাৰ বিষয়ে বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ তদন্তত পোহৰলৈ আহিছে।

০০০০০

নিৰ্বাচন আয়োগে বিহাৰৰ সকলো নিৰ্বাচকৰ সৈতে প্ৰত্যক্ষ যোগাযোগ স্থাপন কৰাৰ লগতে ৮০ দশমিক ১-১ শতাংশ নিৰ্বাচকে গণনা পত্ৰ জমা কৰিছে। আয়োগে কৈছে যে, গণনা পত্ৰ জমা কৰা নিৰ্ধাৰিত সময় ২৫ জুলাইৰ আগতে সকলো গণনা পত্ৰ সংগ্ৰহ কৰাৰ কাম সম্পূৰ্ণ হ'ব। নিৰ্বাচন আয়োগে এটা বিবৃতিত কয়, যে পহিলা আগষ্টত খচৰা তালিকাত নিৰ্বাচকসমূহৰ নাম প্ৰকাশৰ বাবে সকলো নিৰ্বাচকে যোগ্যতাৰ নথি-পত্ৰৰ সৈতে গণনা পত্ৰ দাখিল কৰিব লাগিব। যোগ্যতাৰ নথি-পত্ৰ সংগ্ৰহৰ বাবে যদি কোনো নিৰ্বাচকক আৰু অধিক সময়ৰ প্ৰয়োজন হয়, তেন্তে তেওঁলোকে ৩০ আগষ্টলৈকে পৃথকে পৃথকে গণনাপত্ৰসমূহ জমা দিব পাৰিব। কালি সন্ধিয়া ছয় বজালৈ বুথ পৰ্যায়ৰ বিষয়াসকলে ইতিমধ্যে চাৰি কোটি ৬৬ লাখ ডিজিটালাইজড গণনা পত্ৰ ই চি আই নেটত আপলোড কৰিছে।

০০০০০

লাডাখ স্বায়ত্ব শাসিত পাৰ্বত্য উন্নয়ন পৰিষদে কাৰ্গিলত কালি আন্তঃৰাষ্ট্ৰীয় সহযোগিতা পদক্ষেপৰ অংশ হিচাপে হিমালয়ত জলবায়ু স্থিতি-স্থাপকতা শীৰ্ষক এখন শৈক্ষিক বৈঠক অনুষ্ঠিত কৰে।

এই বৈঠকত কাৰ্গিলৰ পৰ্যটন বিভাগ তথা জনস্বাস্থ্য কাৰিকৰী আৰু জলসিঞ্চন বিভাগৰ কাৰ্যবাহী কাউন্সিলৰ কাছ' মহম্মদ ফিৰোজে অধ্যক্ষতা কৰে। এই বৈঠকত আগশাৰীৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক প্ৰতিষ্ঠানৰ প্ৰবক্তা

আৰু গৱেষকসকলে অংশগ্ৰহণ কৰে। এই বৈঠকখন যোৱা ৭ জুলাইত আৰম্ভ হোৱা আৰু পৰহিলৈ অন্ত পৰিবলগীয়া 'Confronting the Climate Challenge in the Indian Himalayas: Pathways to Resilience' শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় গ্ৰীষ্মকালীন বিদ্যালয় কাৰ্যসূচীৰ অংশ বিশেষ।

জলবায়ু পৰিৱৰ্তন আৰু লাডাখ-হিমালয় অঞ্চলত জলবায়ুৰ স্থিতি-স্থাপকতা ৰক্ষাৰ ক্ষেত্ৰত শৈক্ষিক সহযোগিতা আৰু অংশীদাৰীসকলক ইয়াৰ সৈতে সংযুক্ত কৰাই এই বৈঠকৰ মূল উদ্দেশ্য।

০০০০০

ইগা স্বিয়াটেকে আমান্দা অনিছিম'ভাক পৰাস্ত কৰি উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ প্ৰথমটো খিতাপ অৰ্জন কৰিছে। প'লেণ্ডৰ স্বিয়াটেকে কালি অল ইংলেণ্ড ক্লাবত অনুষ্ঠিত একপক্ষীয় ফাইনেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ আমান্দাক ৬-০, ৬-০ পোনপটীয়া ছেটত পৰাস্ত কৰে। ইয়াৰ লগে লগে স্বিয়াটেক উইম্বৰলডন টেনিছ প্ৰতিযোগিতাৰ খিতাপ দখল কৰা প'লেণ্ডৰ মহিলাৰূপে পৰিগণিত হয়।

ইপিনে ব্ৰিটেইনৰ জুলীয়ান কেছ আৰু লয়ড গ্লাছপুলে কালি উইম্বলডনৰ পুৰুষৰ ডাবলছৰ খিতাপ অৰ্জন কৰি প্ৰতিযোগিতাৰ ইতিহাসত ১৯৩৬ চনৰ পাছত এই কৃতিত্ব অৰ্জন কৰা প্ৰথমটো ব্ৰিটিছ যুটী হিচাপে ইতিহাস ৰচনা কৰে। জুলীয়ান আৰু লয়দৰ যুটীটোৱে ফাইনেলত অষ্ট্ৰেলিয়াৰ ৰিংকি হিজিকাটা আৰু নেডাৰলেণ্ডৰ ডেভিদ পেলক ৬-২, ৭-৬ ছেটত পৰাভূত কৰে।

প্ৰতিযোগিতাত পুৰুষৰ ছিংগলছৰ ফাইনেলত আজি বিশ্বৰ একনম্বৰ স্থানৰ খেলুৱৈ জেনিক ছিনৰ, দ্বিতীয় বাছনিপ্ৰাপ্ত তথা বিগত দুটা বছৰ খিতাপ অৰ্জন কৰা স্পেইনৰ কাৰ্লোছ অল্কাৰাজৰ  সন্মুখীন হ'ব।

০০০০০

লৰ্ডছত অনুষ্ঠিত এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি চতুৰ্থ দিনা ঘৰুৱা দল ইংলেণ্ডে এটাও উইকেট নেহেৰুওৱাকৈ কালি সংগ্ৰহ কৰা দুই ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। ইংলেণ্ডে ১০ টা উইকেট বাকী থকা অৱস্থাত ভাৰতত‌কৈ সামগ্ৰিকভাৱে দুই ৰানত আগবাঢ়ি আছে। ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে তিনি বজাত খেল আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে ভাৰতেও ইংলেণ্ডৰ প্ৰথম ইনিংছৰ স্কোৰ ৩৮৭ ৰানতে কালি প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ কে এল ৰাহুলে শতক অৰ্জন কৰে। ঋষভ পণ্টে ৭৪ আৰু ৰবীন্দ্ৰ জাদেজাই ৭২ ৰানৰ বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ ক্ৰিছ ৱ'কছে তিনিটা উইকেট দখল কৰে। জোফ্ৰা আৰ্চাৰ আৰু বেন ষ্ট'কছে দুটাকৈ উইকেট লাভ কৰে। ভাৰতে কালি বিদেশত অনুষ্ঠিত টেষ্ট শৃংখলাত সৰ্বাধিক ছিক্সাৰ কোবোৱাৰ নতুন বিশ্ব অভিলেখো গঢ়ে। ভাৰতে এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাত বৰ্তমানলৈকে ৩৬ টা ছিক্সাৰ কোবাই ১৯৭৪-৭৫ চনত ৱেষ্ট ইণ্ডিজে ভাৰতৰ বিৰুদ্ধে গঢ়া ৩২ টা ছিক্সাৰৰ অভিলেখ ভংগ কৰে। ভাৰতে পাঁচখন খেলৰ শৃংখলাটোৰ প্ৰথম তিনিখন খেলতে এই কৃতিত্ব আৰ্জন কৰিছে। শৃংখলাটোত সম্প্ৰতি ১-১ ফলাফলত ড্ৰ হৈ আছে।

০০০০০

শ্যুটিঙত ৰাষ্ট্ৰীয় ক্ৰীড়াৰ চেম্পিয়ন ভাৰতৰ নীৰু ধান্দাই আই এছ এছ এফ বিশ্বকাপৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে। কালি ইটালীৰ লনাট'ত অনুষ্ঠিত শ্যটগান ৱল্ড কাপৰ চূড়ান্ত পৰ্যায়ত ট্ৰেপ ইভেণ্টৰ চূড়ান্ত পৰ্যায়ত চতুৰ্থ স্থান দখল কৰি নিৰু ধান্দাই ফাইনেলৰ যোগ্যতা লাভ কৰিছে। তেওঁ ৫০ শ্যটৰ ফাইনেলত প্ৰথম ৩৫টা লক্ষ্যৰ

৩০ টা লক্ষ্য ভেদ কৰিবলৈ সমৰ্থ হয়। কাইলৈ হ'বলগীয়া প্ৰতিযোগিতাৰ অন্তিম খেলত দুই ভাৰতীয় যুটীয়ে ট্ৰেপ মিক্সড টীম অলিম্পিক ইভেণ্টত প্ৰতিদ্বন্দ্বিতা কৰিব।

ooooo

ভাৰতৰ ২০ বছৰ অনুৰ্ধ মহিলা ফুটবল দলটোৱে কাইলৈ টাস্ক খণ্ডৰ ড'ষ্টলীক ষ্টেডিয়ামত আয়োজক দেশ উজবেকিস্তানৰ বিৰুদ্ধে দুখন প্ৰীতি মেচৰ প্ৰথমখন খেল খেলিব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা চাৰে আঠ বজাত আৰম্ভ হ'ব। এই প্ৰীতি খেলসমূহৰ হৈছে ভাৰতে অহা মাহত হ'বলগীয়া ২০ বছৰ এ এফ চি মহিলা এছিয়ান কাপৰ বাবে যোগ্যতা নিৰ্ণয়কাৰী খেলৰ অংশ বিশেষ, য'ত দলটোৱে ইণ্ডোনেছিয়া, তুৰ্কমেনিস্তান আৰু ম্যানমাৰৰ সৈতে মুখামুখি হ'ব।

ooooo

***সমাপ্ত***